**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাই আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে চৰাইদেউ জিলাত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদাম ক্ষেত্ৰত আহোম স্বৰ্গদেউসকল তথা উপৰি পুৰুষসকলক স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পূৰ্বে ঐতিহাসিক মৈদাম ক্ষেত্ৰত উপস্থিত হোৱা মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় পুৰাতত্ব আৰু প্ৰত্নতত্ব সঞ্চালকালয়ৰ ফালৰ পৰা আদৰণি জনোৱা হয়। আজিৰ ভ্ৰমণ কালত তেওঁ অলপতে বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা আহোম ৰাজত্বকালৰ মৈদামৰ গঠন, ইতিহাস, ঐতিহাসিক মূল্য তথা গুৰুত্বৰ বিষয়ে সবিশেষ বুজ লয়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন দপ্তৰৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপী আজি চৰকাৰী ভ্ৰমণসূচীৰে মৰিগাঁৱত উপস্থিত হয়। জিলাখনত উপস্থিত হোৱাৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক জিলা আয়ুক্তকে ধৰি জিলা প্ৰশাসনৰ বিষয়া আৰু প্ৰতিনিধিসকলে আদৰণি জনায়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসন আৰু আন চৰকাৰী বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে জিলাখনত বিভিন্ন চৰকাৰী আঁচনিৰ ৰূপায়ণৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। শ্ৰী গোপীয়ে লগতে জিলাখনৰ লাহৰীঘাট উন্নয়ন খণ্ডত উপস্থিত হৈ চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০০০

ঝাৰখণ্ড বিজেপিৰ সহ প্ৰভাৰীৰ দায়িত্বত থকা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে সমাগত ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত বিজেপিয়ে জে ডি ইউ আৰু অল ঝাৰখণ্ড ষ্টুডেণ্টছ্ ইউনিয়নৰ সৈতে একেলগে প্ৰতিদ্বন্দ্বিতা কৰিব। তেওঁ কয় যে আসন আৱণ্টনক লৈ কোনোধৰণৰ মতানৈক্য হোৱা নাই। ৰাঁচীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰী শৰ্মাই কয় যে, আসন ভাগ বাটোৱাৰাৰ প্ৰক্ৰিয়া চূড়ান্ত পৰ্যায়ত আছে আৰু অক্টোবৰৰ প্ৰথম সপ্তাহত প্ৰাৰ্থী তালিকা ঘোষণা কৰা হ'ব।

০০০০০০০

যোড়শ বিত্ত আয়োগৰ অধ্যক্ষৰ নেতৃত্বত আয়োগৰ সদস্যসকলৰ এটা দল আজি গুৱাহাটীত উপস্থিত হয়। অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ এটা দলে আজি পুৱা তেওঁলোকক গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনায়। বিত্ত আয়োগৰ দ্বাৰা আৱণ্টিত পুঁজি ৰূপায়ণৰ বিষয়ে বুজ লোৱাৰ উদ্দেশ্যে চাৰিদিনীয়া ভ্ৰমণসূচীৰে আয়োগৰ এই দলটো অসমত উপস্থিত হৈছে।

০০০০০০০

অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয় তথা জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত ৰাজ্যত আজিৰেপৰা তিনিদিনীয়াকৈ প্ৰথমবাৰৰ বাবে জ্যেষ্ঠ নাগৰিকৰ সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। জিলা আৰু ৰাজ্যিক পৰ্যায়ত আজিৰেপৰা ২৭ ছেপ্তেম্বৰলৈ এই সমাৰোহৰ আয়োজন কৰা হৈছে। ১ অক্টোবৰত আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱসত এই বঁটা প্ৰদান কৰা হ'ব। সমাৰোহৰ অংশ হিচাপে জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি কামৰূপ জিলাৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বচ্ছতাই সেৱা শীৰ্ষক দেশজোৰা অভিযানৰ অংশ হিচাপে এটা জনসম্পৰ্ক ৰক্ষা কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখযোগ্য যে **স্বভাৱ স্বচ্ছতা, সংস্কাৰ স্বচ্ছতা** শীৰ্ষক স্বচ্ছতা আৰু অনাময় কাৰ্যসূচীৰ দ্বাৰা স্বচ্ছতাই সেৱা নামৰ অভিযান ৰূপায়ণ কৰা হৈছে। আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে এই কাৰ্যসূচীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনত স্বচ্ছতা আৰু অনাময়ৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ প্ৰয়াস কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই উপলক্ষে কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিজয়ী প্ৰতিযোগীসকলক একোটাকৈ ৰেডিঅ’ ছেট, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু পি আই বি উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুডিৰিপাডে অংশগ্ৰহণ কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অসমীয়া ভাষাৰ সাধাৰণ ঘোষণা তথা শিশু আৰু মহিলা শাখাৰ লগতে হিন্দী, নেপালী, কাৰ্বি, বড়ো, চাহ জনগোষ্ঠীৰ অনুষ্ঠান আৰু পাশ্চাত্য সংগীত শাখাত অংশকালীন ঘোষক-ঘোষিকাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। ২০ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ স্নাতক ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে ইয়াৰ বাবে আবেদন কৰিব পাৰিব। প্ৰাৰ্থী গুৱাহাটী পৌৰ এলেকাৰ বাসিন্দা হ’ব লাগিব। আগ্ৰহীসকলে আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR GUWAHATI-ৰ পৰা আবেদন প্ৰ-পত্ৰ ডাউনল’ড কৰি অথবা আকাশবাণী গুৱাহাটীৰ সমন্বয় শাখাৰ পৰা আবেদন প্ৰ-পত্ৰ সংগ্ৰহ কৰি যাৱতীয় নথিৰ সৈতে অহা ৪ অক্টোবৰৰ ভিতৰত জমা দিব লাগিব। প্ৰাৰ্থীসকলক লিখিত পৰীক্ষা, কণ্ঠস্বৰ পৰীক্ষা আৰু সাক্ষাতকাৰৰ জৰিয়তে নিৰ্বাচন কৰা হ’ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

**সমাপ্ত**